# গৌহাটি উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

গোচৰ নং : চি. আৰ.(এইচ. চি.)১৬/১৯৯৪

ডি.কে. দত্ত

বনাম

ভাৰত চৰকাৰ

আবেদনকাৰীৰ অধিবক্তা : শ্ৰীযুত কে. চি. ৰয়

প্ৰতিপক্ষৰ অধিবক্তা : শ্ৰীযুত এছ. কে. মেধি

সংযোগী গোচৰ : চি. আৰ.(এইচ. চি.)১৭/১৯৯৪

জে. ভূঞা

বনাম

ভাৰত চৰকাৰ আৰু অন্যান্য

অধিবক্তা : এচ. চি

ভাৰত চৰকাৰ আৰু অন্যান্য পক্ষক চিবিআই(CBI)য়ে প্ৰতিনিধিত্ব কৰিছে।

**মহামান্য ন্যায়াধীশ শ্ৰী অচিন্ত্য মল্ল বুজৰ বৰুৱা**

**মহামান্য ন্যায়াধীশ শ্ৰী ৰবিন ফুকন**

**ৰায় আৰু আদেশ (মৌখিক)**

তাৰিখ : ০৯-০৩-২০২৩

**(মহামান্য ন্যায়াধীশ এ. এম. বুজৰ বৰুৱা)**

১)চি.আৰ.(এইচ.চি.)১৬/১৯৯৪ গোচৰত আবেদনকাৰীৰ হৈ বিদ্বান অধিবক্তা এইচ. কে. মহন্ত আৰু চি.আৰ.(এইচ.চি.)১৭/১৯৯৪ গোচৰত আবেদনকাৰীৰ হৈ বিদ্বান জ্যেষ্ঠ অধিবক্তা কে. এন. চৌধুৰী আৰু তেখেতক সহযোগ কৰা অধিবক্তা শ্ৰীমতি পি. বৰ্মনে আগবঢ়োৱা যুক্তি শুনা হল। লগতে চি.আৰ.(এইচ. চি.)১৬/১৯৯৪ গোচৰৰ প্ৰতিপক্ষ- সেনা কৰ্তৃপক্ষকে আদি কৰি ভাৰত চৰকাৰৰ হৈ শ্ৰীযুত আৰ. কে. ডি. চৌধুৰী, ডেপুটি এছ.জি.আই.য়ে প্ৰদৰ্শন কৰা যুক্তি তথা চি.আৰ.(এইচ. চি.)১৭/১৯৯৪ গোচৰৰ প্ৰতিপক্ষ- সেনা কৰ্তৃপক্ষকে আদি কৰি ভাৰত চৰকাৰৰ হৈ বিদ্বান অধিবক্তা শ্ৰীমতী এ. গায়ন আৰু প্ৰতিপক্ষ অসম ৰাজ্যক প্ৰতিনিধিত্ব কৰা বিদ্বান অধিবক্তা শ্ৰীমতী ইউ. দাসৰ যুক্তিও শুনা হ'ল।

২) সেনা কৰ্তৃপক্ষৰ উপ ন্যায়াধীশ মহাধিবক্তা কৰ্ণেল মহেশ শৰ্মাও শুনানিত উপস্থিত থাকে।

৩) যদিও চিবিআই এই গোচৰৰ প্ৰতিপক্ষ নহয় কিন্তু এই গোচৰৰ কাৰ্যক্ৰম(proceedings) চলাকালীন চি.বি.আই.য়ে তদন্ত কৰি প্ৰতিবেদন দাখিল কৰাৰ প্ৰয়োজনীয়তা আছিল আৰু সেই অনুসৰি ১০.০৩.১৯৯৮ তাৰিখে চিবিআইয়ে শপতনামাৰ জৰিয়তে প্ৰতিবেদন দাখিল কৰে আৰু বিদ্বান অধিবক্তা শ্ৰীযুত এম. হালৈ চিবিআই. কৰ্তৃপক্ষৰ হৈ হাজিৰ থাকে।

৪)চি.আৰ.(এইচ.চি.)১৭/১৯৯৪ গোচৰটো সদৌ অসম ছাত্ৰ সন্থাৰ তেতিয়াৰ উপ-সভাপতি শ্ৰী জগদীশ ভূঞাই দাখিল কৰি এই অভিযোগ উত্থাপন কৰিছিল যে মুঠ ৯ (ন)জন ব্যক্তিক সেনা কৰ্তৃপক্ষই গ্ৰেপ্তাৰ কৰিছিল আৰু তেওঁলোকৰ ভিতৰত তেতিয়াৰ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰায় ২৪ বছৰীয়া প্ৰবীণ সোণোৱালক ১৭.০২.১৯৯৪ তাৰিখে ডুমডুমাত থকা তেওঁৰ বাসগৃহৰ পৰা সেনা কৰ্তৃপক্ষই গ্ৰেপ্তাৰ কৰে; তালাপ থানাৰ অন্তৰ্গত খোৱাং চাহ বাগিচাৰ কৰ্মচাৰী অখিল সোণোৱালক ১৭.০২.১৯৯৪ তাৰিখে কাৰ্যালয়ত কৰ্তব্য পালন কৰি থকা অৱস্থাত সেনা কৰ্তৃপক্ষই গ্ৰেপ্তাৰ কৰে; প্ৰায় ২৩ বছৰীয়া স্কুলীয়া ছাত্ৰ দেৱজিৎ বিশ্বাসক ১৭.০২.১৯৯৪ তাৰিখে তেওঁৰ ডুমডুমাত থকা বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হয়; প্ৰায় ২২ বছৰীয়া স্কুলীয়া ছাত্ৰ গুনিন হাজৰিকাক ১৯.০২.১৯৯৪ তাৰিখে

তেওঁৰ ডুমডুমাত থকা বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হয়; প্ৰদীপ দত্তক ১৮.০২.১৯৯৪ তাৰিখে তেওঁৰ তালাপ, ডুমডুমাত থকা বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হয়; মনোৰঞ্জন দাসক ১৮.০২.১৯৯৪ তাৰিখে তেওঁৰ ডুমডুমাস্থিত বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হয়; ভূপেন মৰাণক ১৭.০২.১৯৯৪ তাৰিখে ডুমডুমাত থকা বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হয়; প্ৰকাশ শৰ্মাক ১৮.০২.১৯৯৪ তাৰিখে তেওঁৰ ডুমডুমাস্থিত বাসগৃহৰ পৰা আৰু মোতেশ্বৰ মৰাণক ১৯.০২.১৯৯৪ তাৰিখে তেওঁৰ ডুমডুমাস্থিত বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হয়।

৫) আবেদনকাৰীয়ে এই দাবী উত্থাপন কৰিছে যে অখিল সোণোৱালৰ বাহিৰে গ্ৰেপ্তাৰ হোৱা আন সকলো ব্যক্তি সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য আছিল।

৬) চি.আৰ.(এইচ.চি.)১৭/১৯৯৪ গোচৰত লেখ আবেদনৰ ৪ নং দফাত উল্লেখ কৰা হৈছে যে উপৰোক্ত সকলো ব্যক্তিকে ১৭.০২.১৯৯৪ তাৰিখৰ পৰা ১৯.০২.১৯৯৪ তাৰিখৰ ভিতৰত সেনা কৰ্তৃপক্ষই গ্ৰেপ্তাৰ কৰিছিল আৰু লেখ আবেদন দাখিল হোৱা দিন লৈকে তেওঁলোক ক'ত আছে সেই কথা জানিব পৰা হোৱা নাছিল আৰু লগতে তেওঁলোকক কি ভিত্তিত গ্ৰেপ্তাৰ কৰা হৈছিল সেই বিষয়েও সেনা কৰ্তৃপক্ষই তেওঁলোকৰ নিজ নিজ পৰিয়ালক অৱগত কৰা নাছিল।

৭) শ্ৰী দীপক কুমাৰ দত্তই তেওঁৰ ভাতৃ প্ৰদীপ কুমাৰ দত্তক ১৮.০২.১৯৯৪ তাৰিখে সেনা কৰ্তৃপক্ষই তেওঁৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰাৰ অভিযোগ উত্থাপন কৰি চি.আৰ.(এইচ.চি.)নং ১৬/১৯৯৪ দাখিল কৰিছিল। আমি লক্ষ্য কৰিছোঁ যে প্ৰদীপ কুমাৰ দত্তক গ্ৰেপ্তাৰ কৰাটোও চি.আৰ.(এইচ.চি.)নং ১৭/১৯৯৪ৰ বিষয়বস্তু হয়।

৪. ০১.০৩.১৯৯৪ তাৰিখে গোচৰৰ কাৰ্যক্ৰমৰ সময়ত, ৯(ন)জন ব্যক্তিৰ ভিতৰত, ৪(চাৰি)জন ব্যক্তিক আৰক্ষীৰ হেফাজতত আদালতত হাজিৰ কৰোৱা হৈছিল আৰু ০১.০৩.১৯৯৪ তাৰিখৰ আদেশৰ পৰা এইটো দেখা যায় যে, তিনিচুকীয়াৰ বিজ্ঞ জিলা ন্যায়াধীশৰ গোপন কক্ষত অনুষ্ঠিত কৰা গোচৰৰ কাৰ্যক্ৰমৰ সময়ত কিছুমান জবানবন্দি লোৱা হৈছিল আৰু সেই জবানবন্দিবোৰৰ পৰা এইটো প্ৰতিফলিত হয় যে ওপৰোক্ত ব্যক্তিসকলৰ ভিতৰত ৫(পাঁচ)জন ব্যক্তি যথা–(১) প্ৰবিন সোনোৱাল, (২) অখিল সোণোৱাল, (৩) দেবজিৎ বিশ্বাস, (৪) প্ৰদীপ দত্ত আৰু (৫) ভূপেন মৰাণৰ ইতিমধ্যে মৃত্যু হৈছিল। বাকী গ্ৰেপ্তাৰ

হোৱা ৪ জন (চাৰি)জন ব্যক্তি- (১) প্ৰকাশ শৰ্মা, (২) গুনীন হাজৰিকা, (৩) মনোৰঞ্জন দাস আৰু (৪) মতিশ্বৰ মৰাণক মুক্তি দিয়া হৈছিল।

৯) এনে পৰিস্থিতিত ওপৰোক্ত ৫(পাঁচ)জন মৃত্যুৰ সন্দৰ্ভত বিচাৰৰ বাবে দুখন বন্দী প্ৰত্যক্ষীকৰণ(Habeas Corpus Civil Rule) আবেদন বাহাল আছে। আমি মন কৰিছো যে বৰ্তমানৰ কাৰ্য্যক্ৰম সন্দৰ্ভত আদালতৰ ১০.০৩.১৯৯৫ আৰু ৩১.০৭.২০০০ তাৰিখৰ আদেশ অনুসৰি চিবিআইয়ে তদন্ত চলাইছিল আৰু চিবিআইৰ ০৬.০২.২০০২ তাৰিখৰ তদন্তৰ প্ৰতিবেদন শপতনামা যোগে গোচৰৰ সংক্ৰান্তত দাখিল দিয়া হৈছিল।

১০) চিবিআইৰ ০৬.০২.২০০২ তাৰিখৰ প্ৰতিবেদনৰ ২.২১ আৰু ২.২২ দফাত তলত দিয়া ধৰণে উল্লেখ আছে:

“২.২১. এনকাউন্টাৰ হোৱা বুলি কোৱা ঠাইখনৰ সেই সময়ৰ অৱস্থা আৰু পৰিস্থিতি তথা ওপৰত উল্লেখ কৰা মৃতকৰ ব্যক্তিসকলৰ শৰীৰৰ আঘাতৰ প্ৰকৃতি ভালকৈ লক্ষ্য কৰিলে সেনাই দাবী কৰা এনকাউন্টাৰ তত্বটো বিশ্বাসযোগ্য নহয়। সেয়েহে ৫ জন অভিযুক্ত সেনা জোৱান যথা (১) আইচি৫০৭৭২ কেপ্টেইন আৰ. কে. শিৱৰাইন, ১৮ নং বেটেলিয়ন , পঞ্জাৱ ৰেজিমেন্ট (২) আইচি১৭৪৯১৪ চুবেদাৰ দলিপ সিং, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট, (৩) ২৪৭৭৬৯৫ নাইক পালৱিন্দৰ সিং, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট, (৪) ২৪৭৮৫৪৩ লেন্স নাইক শিৱেন্দৰ সিং, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট আৰু (৫) ২৪৭৮৫৮৮ লেন্স নাইক জগদেৱ সিং, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট ওপৰত উল্লেখ কৰা ৫ জন ব্যক্তিক হত্যা কৰাৰ বাবে দায়ী, কিয়নো তেওঁলোকে উক্ত ব্যক্তি কেইজনৰ ওপৰত গুলীচালনা কৰিছিল আৰু সেয়েহে, তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি ধাৰা ৩০২ আৰু ২০১ৰ অধীনত গোচৰ চলিব লাগে। ঠিক একেদৰে, আন দুজন সেনা জোৱান যথা (১) আই চি ২৭০২২এইচ কৰ্ণেল এ. কে. লাল, কামাণ্ডিং অফিচাৰ, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট, চি/অ. ৯৯ এ.পি.অ. আৰু (২) আইচি৪৭৭৭৬ মেজৰ থমাছ মেথিউ, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট,কয় কমাণ্ডাৰ ‘বি’ ৰয় বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি ধাৰা ৩০২ আৰু ২০১ লগতে ৰ ভাৰতীয় দণ্ডবিধি ধাৰা ১০৯ অধীনত গোচৰ চলিব লাগে কাৰণ

কৰ্ণেল লালে সমগ্ৰ অভিযানটোৰ পৰিকল্পনা কৰিছিল আৰু মেজৰ থমাছ মেথিউৱে দলটোৰ নেতৃত্ব দিছিল আৰু গুলীচালনাৰ নিৰ্দেশ দিছিল।

২.২২। ওপৰত উল্লেখ কৰা কৰা অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে বিশেষ ন্যায়িক দণ্ডাধীশ, কামৰূপ, গুৱাহাটীৰ আদালতত অভিযোগপত্ৰ দাখিল কৰা হ'ল আৰু সামৰিক আইনৰ ১৯৫০ৰ ধাৰা ৭০ত উল্লেখ থকা বাধ্যতামূলক বিধান অনুসৰি উক্ত অভিযোগপত্ৰখন অভিযুক্ত লোকসকলৰ বিৰুদ্ধে গোচৰ চলাবলৈ সামৰিক আদালতলৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। এই ধাৰা অনুসৰি, যেতিয়া সেনা আইনৰ অধীনত আৰু সক্ৰিয় সেৱাত থকা ব্যক্তিয়ে সামৰিক, নৌ বা বায়ুসেনাৰ আইন অধীন নোহোৱা কোনো ব্যক্তিৰ বিৰুদ্ধে হত্যা বা হত্যাৰ অভিপ্ৰায় নথকা দোষাবহ নৰবধ অপৰাধ সংঘটিত কৰে, তেওঁৰ বিচাৰ সামৰিক আদলত( Court Martial)ত হ'ব। উপৰোক্ত অভিযুক্ত ব্যক্তিসকল অসমত সশস্ত্ৰ বিদ্ৰোহীৰ বিৰুদ্ধে অভিযান চলাইছিল আৰু সেয়েহে, তেওঁলোকে অভিযোগ কৰা অপৰাধ সংঘটিত কৰাৰ সময়ত সক্ৰিয় সেৱাত থকাটো প্ৰমান কৰে।"

১১) ০৬.০২.২০০২ তাৰিখৰ চিবিআইৰ প্ৰতিবেদনৰ ২.২১ নং দফাৰ বিষয়বস্তু পঢ়িলে লক্ষ্য কৰিব পাৰি যে চিবিআইয়ে এই সিদ্ধান্তত উপনীত হৈছিল যে মৃত ব্যক্তিসকলৰ শৰীৰত যি আঘাতবোৰ পোৱা গৈছিল সেয়া কোনো ধৰণৰ এনকাউন্টাৰৰ সময়ত হোৱা বুলি বিশ্বাস কৰিব নোৱাৰি আৰু চিবিআইৰ মতে ৫ (পাঁচ) সেনা জোৱান যথা (১)আইচি৫০৭৭২ কেপ্তেইন আৰ.কে. শিৱৰাইন, ১৮ নং বেটেলিয়ন , পঞ্জাৱ ৰেজিমেন্ট (২) আইচি১৭৪৯১৪ চুবেদাৰ দলিপ সিং, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট(৩) ২৪৭৭৬৯৫ নাইক পালৱিন্দৰ সিং, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট, (৪)২৪৭৮৫৪৩ লেন্স নাইক শিৱেন্দৰ সিং, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট। আৰু (৫)২৪৭৮৫৮৮ লেন্স নাইক জগদেৱ সিং, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট, পাঁচজন ব্যক্তিত-(১) প্ৰবীণ সোণোৱাল, (২) অখিল সোণোৱাল, (৩) দেৱজিৎ বিশ্বাস, (৪) প্ৰদীপ দত্ত আৰু (৫) ভূপেন মৰাণৰ হত্যাৰ বাবে দায়ী, কিয়নো তেওঁলোকে সচাঁকৈয়ে উক্ত ব্যক্তিকেইজনৰ ওপৰত গুলীচালনা কৰিছিল আৰু সেয়েহে, তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/২০১ৰ অধীনত গোচৰ চলোৱাৰ সমীচীন হব। ০৬.০২.২০০২ তাৰিখৰ চিবিআইৰ প্ৰতিবেদনেও এই সিদ্ধান্তত উপনীত হয় যে আন দুজন সেনা জোৱান-(১) আই চি ২৭০২২এইচ কৰ্ণেল এ.কে. লাল, কামাণ্ডিং অফিচাৰ, ১৮ নং

বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট, চি/অ. ৯৯ এ.পি.অ., (২) আইচি ৪৭৭৭৬ মেজৰ থমাছ মেথিউ, ১৮ নং বেটেলিয়ন, পঞ্জাৱ ৰেজিমেন্ট, কয় কমাণ্ডাৰ 'বি' কয়ৰ বিৰুদ্ধেও ভাৰতীয় দণ্ডবিধি ধাৰা ৩০২ আৰু ২০১ ধাৰাৰ লগতে ভাৰতীয় দণ্ডবিধি ধাৰা ১০৯ অধীনত গোচৰ চলোৱাৰ বাবে সমীচীন হব কাৰণ কৰ্ণেল এ.কে. লালে সমগ্র অভিযানটোৰ পৰিকল্পনা কৰিছিল আৰু মেজৰ থমাছ মেথিউৱে দলটোৰ নেতৃত্ব দিছিল আৰু গুলীচালনাৰ নিৰ্দেশ দিছিল।

১২) ০৬.০২.২০০২ তাৰিখৰ চিবিআইৰ প্ৰতিবেদনৰ ২.২২ নং দফাত স্পষ্টকৈ কোৱা হৈছে যে ওপৰত উল্লেখ কৰা সেনা জোৱানসকলৰ বিৰুদ্ধে অভিযোগ পত্ৰসমূহ বিশেষ ন্যায়িক দণ্ডাধীশৰ আদালত, কামৰূপ, গুৱাহাটীত দাখিল কৰা হৈছিল আৰু লগতে সামৰিক আইনৰ ১৯৫০ৰ ৭০ নং ধাৰা অনুসৰি অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে সামৰিক আদালতত বিচাৰ কৰাৰ বাবে অভিযোগপত্ৰসমূহ সেনা কৰ্তৃপক্ষ লৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হৈছিল।

১৩) সামৰিক আদালতৰ ১৩.১০.২০১৮ তাৰিখৰ ফাইল নং চি/ ০৬২৮০/ ইচি/ ৫৯৭(১৭/১৩)/এজি/ডিভি-২ত কৰা আদেশ অনুসৰি সামৰিক আদালতে অভিযুক্ত শ্ৰী অনিল কুমাৰ লাল যি পূৰ্বতে আই.চি -২৭০২২ এইচ পঞ্জাৱ ৰেজিমেন্টৰ ১৮ নং বেটেলিয়নৰ মেজৰ জেনেৰেল পদত আছিল, আই চি-৪৭৭৭৬ ৱাই ৩ কেৰেলা বেটেলিয়ন নেচনেল কেডেট কৰ্পছ ত্ৰিবেন্দ্ৰম (কেৰালা)ৰ কৰ্ণেল থমাছ মেথিউ, মুখ্য কাৰ্যালয় ৭৩ মাউন্টেন ব্ৰিগেডৰ কৰ্ণেল আৰ. কে. শিৱৰাইন, শ্ৰীদলিপ সিং যি পূৰ্বতে পঞ্জাৱ ৰেজিমেন্টৰ ১৮ নং বেটেলিয়নৰ জে চি-১৭৪৯১৪এন সুবেদৰ মেজৰ আৰু কেপ্টেইন পদত আছিল, পঞ্জাৱ ৰেজিমেন্টৰ ১৮ নং বেটেলিয়নৰ শ্ৰী পালৱিন্দৰ সিং যি পূৰ্বতে নং ২৪৭৭৬৫৯এন পঞ্জাৱ ৰেজিমেন্টৰ ১৮ নং বেটেলিয়নৰ নাইক পদত আছিল, পঞ্জাৱ ৰেজিমেন্টৰ ১৮ নং বেটেলিয়নৰ শ্ৰী শিৱেন্দৰ সিং যি পূৰ্বেতে পঞ্জাৱ ৰেজিমেন্টৰ ১৮ নং বেটেলিয়নৰ নাইক পদত আছিল আৰু পঞ্জাৱ ৰেজিমেন্টৰ ১৮ নং বেটেলিয়নৰ শ্ৰী জাগদেৱ সিং যি পূৰ্বতে জেচি-৪২৯৮৬৬এল চুবেদাৰ পদত আছিল আৰু লেফটেনেন্ট জগদেৱ সিংক প্ৰথম চাৰ্জ অৰ্থাৎ ভাৰতীয় দণ্ডবিধিৰ ৩০২ নং ধাৰাত দোষী পায়। যিহেতু ১৯৫০ চনৰ সেনা আইনৰ অধীনত সামৰিক আদালতৰ সিদ্ধান্তক যোগ্য কৰ্তৃপক্ষই নিশ্চিত কৰাৰ প্ৰয়োজন, সেয়েহে পূৰ্বতে উল্লেখ কৰা সেনা জোৱানসকলৰ সন্দৰ্ভত সামৰিক আদালতৰ কাৰ্য্যক্ৰমক(proceeding) যোগ্য কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰে। যোগ্য কৰ্তৃপক্ষই

০৫.১১.২০১৯ তাৰিখৰ আদেশৰ জৰিয়তে সামৰিক আইন ১৯৫০ৰ ১৬০ নং ধাৰাৰ বিধানৰ অধীনত তেওঁলোকৰ পূৰ্বৰ সিদ্ধান্তৰ পুনৰীক্ষণৰ বাবে সামৰিক আদালত কৰ্তৃপক্ষলৈ বিষয়টো পুনৰ প্ৰেৰণ কৰিছিল আৰু পুনৰীক্ষণত সামৰিক আদালত কৰ্তৃপক্ষই উক্ত বিষয় সংক্ৰান্তত আৰু কিছু সাক্ষ্য গ্ৰহণ কৰে আৰু সেই অনুসৰি ০১.০৩.২০২০ তাৰিখৰ আদেশৰ দ্বাৰা সেনা জোৱানসকলক দোষী নহয় বুলি ঘোষণা কৰে আৰু সেই সিদ্ধান্তক পুনৰ ১৫.১১.২০২০ তাৰিখৰ আদেশৰ দ্বাৰা যোগ্য কৰ্তৃপক্ষই নিশ্চিত কৰে।

১৫) এই পাঁচজন ব্যক্তি যথা ১) প্ৰবীণ সোণোৱাল, (২) অখিল সোণোৱাল, (৩) দেৱজিৎ বিশ্বাস, (৪) প্ৰদীপ দত্ত আৰু (৫) ভূপেন মৰাণৰ মৃত্যু আইনৰ গণ্ডীৰ ভিতৰত হৈছিল নে অন্য ধৰণে হৈছিল তাক প্ৰতিষ্ঠা কৰিবলৈ আৰু অধিক তদন্তলৈ নোযোৱাকৈ বৰ্তমান পৰ্যায়ত আদালতত উপলব্ধ সাক্ষ্য-প্ৰমাণৰ পৰা এইটো দেখা যায় যে চিবিআইৰ তদন্তৰ প্ৰতিবেদনে তেওঁলোকৰ মৃত্যু আইনত গ্ৰহণযোগ্য গণ্ডীৰ বাহিৰে আন ধৰণে হোৱাৰ দিশত ইংগিত দিয়ে। আনহাতে সামৰিক আদালতৰ কাৰ্য্যক্ৰমত সেনা কৰ্তৃপক্ষৰ মতে মৃত্যুৰ কাৰণ আইনত গ্ৰহণযোগ্য, অৰ্থাৎ সেনা জোৱানসকল তেওঁলোকৰ ওপৰত আৰোপিত অভিযোগৰ বাবে দায়ী নহয়। পাঁচজন ব্যক্তিৰ মৃত্যু আইনত গ্ৰহণযোগ্য গণ্ডীৰ বাহিৰে আন ধৰণে সংঘটিত হোৱা বুলি উত্থাপিত অভিযোগৰ সত্যতা বুজিবলৈ চিবিআইৰ দ্বাৰা তদন্ত কৰা হয় য'ত এই সিদ্ধান্তত উপনীত হয় যে সংশ্লিষ্ট সেনা জোৱানসকল তেওঁলোকৰ ওপৰত আৰোপিত অভিযোগৰ বাবে দায়ী আছিল আৰু তাৰ বাবেই যোগ্য ফৌজদাৰী আদালতত তেওঁলোকৰ বিৰুদ্ধে অভিযোগপত্ৰ দাখিল কৰা হৈছিল। কিন্তু যিহেতু বিষয়টো সামৰিক আইন ১৯৫০ খনে সামৰি লৈছে, সেয়েহে এই কাৰ্য্যক্ৰম সামৰিক আদালতত অনুষ্ঠিত হৈছিল, য'ত এই সিদ্ধান্ত লোৱা হৈছিল যে সেনা জোৱানসকল তেওঁলোকৰ ওপৰত আৰোপিত অভিযোগৰ বাবে দায়ী নহয়। অন্য অৰ্থত কবলৈ গলে, পৰিস্থিতি এই যে উক্ত ঘটনা সংক্ৰান্তত তদন্ত হৈছিল, অভিযোগপত্ৰবোৰ দাখিল কৰা হৈছিল, আৰু বিচাৰ অনুষ্ঠিত কৰা হৈছিল কিন্তু এই সিদ্ধান্তত উপনীত হৈছিল যে অভিযোগ প্ৰতিষ্ঠা হোৱা নাই। যদিহে আবেদনকাৰীসকলে এতিয়াও সামৰিক আদালত সেনা কৰ্তৃপক্ষৰ সিদ্ধান্তত অসন্তুষ্ট, তেওঁলোকৰ পৰৱৰ্তী পদক্ষেপ হ'ব আইনৰ অনুমতি আৰু সঠিক আইনী প্ৰক্ৰিয়া মাজেৰে সেই সিদ্ধান্তক প্ৰত্যাহ্বান জনোৱা।

১৬) কিন্তু একে সময়তে আমি এইটোও লক্ষ্য কৰিছো যে এই আবেদনবোৰ হৈছে ১৯৯৪ চনৰ পৰা বিচাৰাধীন হৈ থকা লেখ আবেদন আৰু ইতিমধ্যে ঊনত্ৰিশ বছৰ পাৰ হৈ গৈছে।

১৭) প্ৰতিপক্ষসকলৰ পৰা এইটোও যুক্তি প্ৰদৰ্শন কৰা হয় যে, এই মুহূৰ্তত যদি তদন্ত আৰম্ভ হয় তেন্তে ঘটনাৰ প্ৰায় ঊনত্ৰিশ বছৰৰ পাছত ১) প্ৰবীণ সোণোৱাল, (২) অখিল সোণোৱাল, (৩) দেৱজিৎ বিশ্বাস, (৪) প্ৰদীপ দত্ত আৰু (৫) ভূপেন মৰাণক অন্যায়ভাৱে হত্যা কৰাৰ অভিযোগত অভিযুক্ত সেনা জোৱানসকলৰ বাবে নিজৰ নিজৰ পক্ষক গোচৰত প্ৰতিৰক্ষা দিবলৈ অতি কঠিন হ'ব। প্ৰতিপক্ষসকলে এইটো স্থিতি লয় যে, চিবিআইৰ প্ৰতিবেদনত অভিযুক্ত হোৱা সাতজন সেনা জোৱানে ইতিমধ্যে সামৰিক আদালত কাৰ্য্যক্ৰমত নিজৰ নিজৰ পক্ষক ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে আৰু এই কাৰ্য্যক্ৰম চিবিআইৰ প্ৰতিবেদনৰ ভিত্তিত আৰম্ভ কৰা হৈছিল আৰু য'ত চিবিআইয়ে তেওঁলোকৰ বিৰুদ্ধে অভিযোগনামাও দাখিল কৰিছিল।

১৮) আমি আবেদনকাৰীসকলক প্ৰতিনিধিত্ব কৰা বিদ্বান অধিবক্তাৰ পৰাও জানিব বিছাৰিছিলোঁ যে আবেদনকাৰীসকলৰ হাতত এতিয়াও কোনো বিশ্বাসযোগ্য সাক্ষ্য-প্ৰমাণ আছে নেকি যাৰ দ্বাৰা এইটো যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰমাণ কৰিব পাৰি যে সেনা কৰ্তৃপক্ষই আইনৰ গণ্ডীৰ বাহিৰত ওপৰত উল্লেখ কৰা পাঁচজন ব্যক্তিক হত্যা কৰিছিল। কিন্তু তেখেতে স্পষ্টকৈ কৈছে যে বৰ্তমান তেনে কোনো সাক্ষ্য-প্ৰমাণ উপলব্ধ নাই।

১৯) পৰৱৰ্তী তদন্তৰ নিৰ্দেশ দিয়াৰ অৰ্থহীনতা সম্পৰ্কে দুয়োপক্ষৰ প্ৰতিদ্বন্দ্বী যুক্তিসমূহ বিবেচনা কৰি, য'ত আবেদনকাৰীসকলৰ স্থিতি যে আৰু কোনো বিশ্বাসযোগ্য সাক্ষ্য-প্ৰমাণ উপলব্ধ হ'ব নোৱাৰে আৰু লগতে সেনা কৰ্তৃপক্ষৰ স্থিতি এই যে সময় অতিবাহিত হোৱাৰ বাবে সেনা জোৱানসকল, য'ত তেওঁলোকৰ অধিকাংশই ইতিমধ্যে সেৱাৰ পৰা অৱসৰ গ্ৰহণ কৰিছে, নিজকে প্ৰতিৰক্ষা দিবলৈ উপযুক্ত পৰিস্থিতিত নাথাকিব পাৰে, আমি এই মত পোষণ কৰো যে, মৃত্যুৰ কাৰণ আইনত বাবে গ্ৰহণযোগ্য হয় নে নহয় সেই সম্পৰ্কে এটা নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'বলৈ চেষ্টা কৰাৰ পৰিৱৰ্তে আমি এই পৰিস্থিতি মানি লওঁ যে পূৰ্বতে উল্লেখ কৰা পাঁচজন ব্যক্তি যথা ১) প্ৰবীণ সোণোৱাল, (২) অখিল সোণোৱাল, (৩) দেৱজিৎ বিশ্বাস, (৪) প্ৰদীপ দত্ত আৰু (৫) ভূপেন মৰাণৰ মৃত্যু সেনাৰ অভিযান চলা

সময়ত হৈছিল। আমি এইটোও মন কৰোঁ যে, সামৰিক  আদালতৰ কাৰ্যক্ৰমত সেনা কৰ্তৃপক্ষৰ সিদ্ধান্ত মতে সেনা জোৱানসকল তেওঁলোকৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বাবে দোষী নহয়, অৰ্থাৎ তেওঁলোকে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/২০১ৰ অধীনত শাস্তিযোগ্য অপৰাধ সংঘটিত কৰা নাই। কিন্তু আদালতৰ সন্মুখত দাখিল কৰা সাক্ষ্য-প্ৰমাণৰ লগতে যুক্তিবোৰৰ পৰা এইটো স্পষ্ট নহয় যে পূৰ্বতে উল্লেখ কৰা ৫ (পাঁচ) ব্যক্তিৰ মৃত্যু সেনা জোৱানৰ জিম্মাত থকাৰ সময়ত হৈছিল নে নাই আৰু সামৰিক আদালতৰ কাৰ্যক্ৰমত সেনা কৰ্তৃপক্ষই কয় যে সংশ্লিষ্ট ব্যক্তিসকলৰ মৃত্যুৰ ফলত সেনা জোৱানসকল ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/২০১ৰ অধীনত অপৰাধৰ বাবে দোষী নহয়।

২০) এই পাঁচজন ব্যক্তিৰ মৃত্যু আইনত গ্ৰহণযোগ্য ধৰণে হৈছিল নে নাই সেই সম্পৰ্কে চূড়ান্ত নিৰ্ণয় নোলোৱাকৈয়ে উপলব্ধ সাক্ষ্য-প্ৰমাণৰ পৰা স্পষ্ট যে মৃত্যুটো সামৰিক অভিযানৰ সময়ত হৈছিল, যদিও গোচৰৰ উপলব্ধ সাক্ষ্য-প্ৰমাণবোৰে মৃত্যুৰ কাৰণ আইনত বাবে গ্ৰহণযোগ্য বা আইনত বাবে গ্ৰহণযোগ্য নহয় সেই সম্পৰ্কে নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব নোৱাৰে। আমি ন্যায়ৰ স্বাৰ্থত সেনা কৰ্তৃপক্ষৰ জৰিয়তে ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰা এই গোচৰৰ প্ৰতিপক্ষসকলক মৃত পাঁচজন ব্যক্তিৰ পৰিয়ালবৰ্গক পৰ্যাপ্ত ক্ষতিপূৰণ দিবলৈ নিৰ্দেশ দিলোঁ। এই ক্ষেত্ৰত আমি এই আদালতে ২৫.০৩.২০২২ তাৰিখে **লেখ আবেদন(দেৱানী) নং ৪৩৬৮/ ২০১৪ ,২০২২(৩) জিএলটি ১৮৭**ত দিয়া ৰায়ৰ কথা উল্লেখ কৰোঁ যিটো গোচৰত একেধৰণৰ পৰিস্থিতিত সেনাবাহিনীৰ অভিযানত মৃত্যু হোৱা ব্যক্তিসকলৰ প্ৰতিজনৰ পৰিয়াল ২০,০০,০০০/(বিশ লাখ)টকাকৈ ক্ষতিপূৰণ দিয়াটো উপযুক্ত বুলি বিবেচিত হৈছিল। এই বিষয়ৰ ওপৰত আৰু বেছি পৰ্যালোচনা নকৰি আমি সেনা কৰ্তৃপক্ষৰ জৰিয়তে ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰা এই গোচৰৰ প্ৰতিপক্ষসকলক মৃতক ১) প্ৰবীণ সোণোৱাল, (২) অখিল সোণোৱাল, (৩) দেৱজিত বিশ্বাস, (৪) প্ৰদীপ দত্ত আৰু (৫) ভূপেন মৰাণৰ প্ৰত্যেকৰে পৰিয়ালৰ সদস্যবোৰক ক্ষতিপূৰণ হিচাপে ২০,০০,০০০/(বিশ লাখ) টকাকৈ ক্ষতিপূৰণ দিয়াৰ কাৰণে নিৰ্দ্দেশ দিলোঁ।

২১) ভবিষ্যতে এটা প্ৰশ্ন উত্থাপন হ'ব যে মৃত পাঁচজন ব্যক্তিৰ ক্ষেত্ৰত কোনে কোনে ক্ষতিপূৰণ লাভ কৰাৰ অধিকাৰী হ'ব, সেয়ে আমি পাঁচজন মৃতকৰ পৰিয়ালৰ সদস্যক জাননী জাৰি কৰাৰ লগতে তেওঁলোকৰ ভিতৰত কোনে কোনে

ক্ষতিপূৰণৰ ধন লাভ কৰাৰ অধিকাৰী হ'ব সেইটো নিৰ্ণয় কৰা বাবে বিষয়টো তিনিচুকীয়াৰ বিদ্বান জিলা ন্যায়াধীশলৈ প্ৰেৰণ কৰিলোঁ। সেনা কৰ্তৃপক্ষৰ জৰিয়তে ভাৰত চৰকাৰক মৃত পাঁচজন ব্যক্তিৰ প্ৰত্যকৰ বাবদ ২০,০০,০০০/(বিশ লাখ)টকাকৈ ধনৰাশি এই আদালতৰ পঞ্জীয়কক দুমাহৰ ভিতৰত আদায় দিবলৈ নিৰ্দেশ দিয়া হ'ল।

২২) এই আদেশ অনুসৰি পাঁচজন মৃত ব্যক্তিৰ সন্দৰ্ভত দাবীদাৰসকলে পোন্ধৰ দিনৰ ভিতৰত ক্ষতিপূৰণ লাভ কৰিবলৈ আটাইতকৈ উপযুক্ত ব্যক্তি কোন হ'ব তাৰ নিৰ্ণয়ৰ বাবে তিনিচুকীয়াৰ বিদ্বান জিলা ন্যায়াধীশৰ সন্মুখত হাজিৰ হ'ব লাগিব। তেওঁলোকে আদালতত হাজিৰ হোৱাৰ পিছত বিদ্বান জিলা ন্যায়াধীশ, তিনিচুকীয়াক তেওঁলোকে আদালতত হাজিৰ হোৱাৰ তাৰিখৰ পৰা এমাহৰ ভিতৰত কোনে ক্ষতিপূৰণ লাভ কৰাৰত আচল অধিকাৰী হ'ব সেইটো নিৰ্ণয় কৰিবলৈ অনুৰোধ জনোৱা হ'ল। বিদ্বান জিলা ন্যায়াধীশ তিনিচুকীয়াই লোৱা সিদ্ধান্ত অনুসৰি যিবোৰ ব্যক্তিয়ে ক্ষতিপূৰণ লাভ কৰাৰ অধিকাৰী বুলি ঘোষণা কৰা হব, তেওঁলোকে আজিৰ পৰা দুমাহৰ পিছত এই আদালতৰ পঞ্জীয়কৰ পৰা ক্ষতিপূৰণ ধন লাভ কৰিব পাৰিব। ক্ষতিপূৰণ লাভ কৰাৰ অধিকাৰী কোন কোন ব্যক্তি হ'ব সেইটো নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত বিদ্বান জিলা ন্যায়াধীশজনে তেখেতৰ নিজৰ বিচাৰ বিবেচনা অনুসৰি আন যিকোনো ব্যক্তিক জাননী জাৰি কৰিব পাৰে যি তেখেতৰ মতে ক্ষতিপূৰণৰ অধিকাৰী হ'ব।

২৩) ওপৰত উল্লেখ কৰা ধৰণে আদেশ জাৰি কৰি লেখ আবেদন দুখন নিষ্পত্তি কৰা হ'ল।

২৪) এই আদেশৰ প্ৰতিলিপি বিদ্বান জিলা ন্যায়াধীশ, তিনিচুকীয়ালৈও প্ৰয়োজনীয় কাম কৰাৰ বাবে প্ৰেৰণ কৰিব পাৰিব।

২৫। মৃত পাঁচজন ব্যক্তি ১ ) প্ৰবীন সোনোৱাল, ১) অখিল সোনোৱাল, ৩) দেবজিৎ বিশ্বাস, ৪) প্ৰদীপ দত্ত আৰু ৫) ভূপেন মোৰানৰ নিকট আত্মীয়ৰ সন্দৰ্ভত আবেদনকাৰী সকলে দাখিল কৰা শপতনামাও বিজ্ঞ জিলা ন্যায়াধীশ, তিনিচুকীয়াই বিবেচনা কৰিব পাৰে। যদি বিদ্বান জিলা ন্যায়াধীশগৰাকীয়ে বিচাৰে যে ইয়াৰ সঠিক সিদ্ধান্তত উপনীত হ'বলৈ তেখেতৰ বৰ্তমানৰ লেখ আবেদনৰ কাৰ্যক্ৰমবোৰৰ

নথিবোৰৰ প্ৰয়োজন হ'ব, তেন্তে এই আদালতৰ পঞ্জীয়কৰ পৰা নথিবোৰৰ ফটোকপি বিচাৰিব পাৰে।

দুয়োটা লেখ আবেদন সেই অনুসৰি ওপৰত উল্লেখ কৰা চৰ্তাৱলী সাপেক্ষে নিষ্পত্তি কৰা হ'ল।

**ন্যায়াধীশ** **ন্যায়াধীশ**

মোকাবিলা সহায়ক